# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 25-01-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

১। কাইলৈ দেশৰ ৭৬ সংখ্যক গণৰাজ্য দিৱস। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যৰ গুৱাহাটীত আৰু ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গণৰাজ্য দিৱসৰ পতাকা উন্মোচন।

২। অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক ইন্দ্ৰাণী বৰুৱালৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা পদক আৰু ৰাজ্যৰ আন ১৬ গৰাকী আৰক্ষী বিষয়া-জোৱানলৈ উৎকৃষ্ট সেৱা পদকৰ বাবে নাম ঘোষণা।

৩। মানস ৰাষ্ট্ৰীয় উদ্যানত ৰাষ্ট্ৰীয় পৰ্যটন দিৱস পালন। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ সমীপৰ গোলাগাঁৱক বিটিচি পৰিষদৰ আদৰ্শ গাওঁ ঘোষণা।

৪। হাউলীৰ পৰা বৰপেটা-মুকালমুৱা-হাজো হৈ আমিনগাওঁলৈ পথছোৱা উন্নীতকৰণত কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ অনুমোদন।*আৰু*

৫। চেন্নাইত খন্তেক সময়ৰ পাছতে ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল। টছত জয়লাভ কৰি ভাৰতৰ ফিল্ডিঙৰ সিদ্ধান্ত।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱস উপলক্ষে খন্তেক পাছতে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰপতিয়ে হিন্দী আৰু ইংৰাজীত দিয়া এই ভাষণ আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰই প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব। ৰাষ্ট্ৰপতিৰ এই ভাষণৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ পুৱা ৯ বজাত ৰাজ্যবাসীক উদ্দেশি ভাষণ দিব। ৰাজ্যপালৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আমাৰ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি ৮ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব। ৰাজ্যখনত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ আধাৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এখন বিশেষ অনাতাঁৰ প্ৰতিবেদন প্ৰচাৰ কৰিব। ইয়াৰ বাবে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকা প্ৰচাৰ কৰা নহয়।

০০০

ৰাজ্যত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। দেশৰ এই ঐতিহাসিক ক্ষণত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। ৰে'ল আৰক্ষীয়েও ৰে'ললাইনসমূহত সতৰ্ক দৃষ্টি ৰাখিছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ পুৱা ৯ বজাত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব।

গুৱাহাটীত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা –

-ভইচ-

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। এই অনুষ্ঠানত কাইলৈ পুৱা ৬ বজাত দেশপ্ৰেমমূলক গীতৰ প্ৰচাৰেৰে গণৰাজ্য দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছতে প্ৰভাত ফেৰী, ব্যক্তিগত বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উন্মোচন, চৰকাৰী কাৰ্যালয়,

শিক্ষানুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু অন্যান্য ৰাজহুৱা স্থানত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰা হ'ব। পুৱা চাৰে ৮ বজাত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই থানা চাৰিআলিত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব। পুৱা ৮ বাজি ৫৫ মিনিটত ছহিদ তৰ্পণ আৰু ৯ বজাত মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। ইয়াৰ পাছতে অন্যান্য কাৰ্যসূচীসমূহ অনুষ্ঠিত হ'ব।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে দৰঙত, কৃষিমন্ত্ৰী অতুল বৰাই শিৱসাগৰত, ৰাজহ মন্ত্ৰী কেশৱ মহন্তই বঙাইগাঁৱত, হস্ততাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই চিৰাঙত, বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে নগাঁৱত, পৰিবহণ মন্ত্ৰী যোগেন মহনে মাহমৰা সমজিলাত, বিত্ত মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই শোণিতপুৰত, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই যোৰহাটত, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নলবাৰীত, ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাই বৰপেটাত, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে তিনিচুকীয়াত, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী কৌশিক ৰায়ে কাছাৰত, পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে শ্ৰীভূমিত, শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই লখিমপুৰত, বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য কোকৰাঝাৰত, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে ডিফুত, ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বি টি আৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমিনে গোৱালপাৰাত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। একেদৰে তিনিচুকীয়া জিলাতো গণৰাজ্য দিৱসৰ প্ৰস্তুতি পূৰ্ণ গতিত চলিছে। গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনত আগতীয়াকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ, ৰচনা আৰু শ্লোগান লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

গুৱাহাটী উচ্চ ন্যায়ালয়তো কাইলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে পুৱা ৮ বজাত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদতো কাইলৈ গণৰাজ্য দিৱস উপলক্ষে ত্ৰিৰংগ পতাকা উন্মোচন কৰা হ'ব। আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লাহ খানে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব।

গণৰাজ্য দিৱস উপলক্ষে গুৱাহাটী মহানগৰীত নিৰাপত্তাকে ধৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে জিলাসমূহত গণৰাজ্য দিৱসত হ'বলগীয়া কুচকাৱাজৰ অনুশীলন সম্পূৰ্ণ হৈছে।

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ উপৰি ভালেমান জিলাত আজি বিয়লি প্ৰাক-গণৰাজ্য দিৱসৰ কুচকাৱাজ অনুষ্ঠিত হয়। গুৱাহাটী মহানগৰীত আজি অসম আৰক্ষীৰ উদ্যোগত প্ৰাক গণৰাজ্য দিৱসৰ বিশেষ কুচকাৱাজ অনুষ্ঠিত হয়। অসম চৰকাৰৰ মুখ্য সচিব ডঃ ৰবি কোটাই আনুষ্ঠানিকভাৱে এই কুচকাৱাজৰ শুভাৰম্ভ কৰে।

০০০

গণৰাজ্য দিৱসৰ এদিন পূৰ্বে দেশৰ বহুকেইগৰাকী আৰক্ষী বিষয়া তথা জোৱানলৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা আৰু উৎকৃষ্ট সেৱা পদক আগবঢ়োৱা হৈছে। কেইবাখনো ৰাজ্যৰ কেইবাগৰাকী আৰক্ষী বিষয়াৰ লগতে উল্লেখনীয় সেৱা আগবঢ়োৱাৰ বাবে অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক ইন্দ্ৰাণী বৰুৱালৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা পদক আগবঢ়োৱা হৈছে। অসম আৰক্ষীৰ আন ১৬ গৰাকী বিষয়ালৈ উৎকৃষ্ট সেৱা পদক আগবঢ়োৱা হৈছে। এইসকল বিষয়া জোৱানৰ মাজত আছে- আৰক্ষী মহাপৰিদৰ্শক ৰফিউল আলম লস্কৰ, প্লেটুন কমাণ্ডাৰ প্ৰশান্ত হাতীবৰুৱা, উপ আৰক্ষী অধীক্ষক উপেন কলিতা, উপ-পৰিদৰ্শক খগেন্দ্ৰ ৰয়, অসম আৰক্ষীৰ উপ-পৰিদৰ্শক চিত্ৰমোহন ৰাভা, সহকাৰী উপ-পৰিদৰ্শক হেমেন ভূঞা, পৰিদৰ্শক বলোৰাম চাওদাং, হাবিলদাৰ হেৰেম্ব নাথ, উপ-পৰিদৰ্শক বিবেকানন্দ শৰ্মা, সহকাৰী উপ-পৰিদৰ্শক বিষ্ণুপ্ৰসাদ চেত্ৰী, হেড কণিষ্টবল দীপক কাকতি আৰু শংকু চৌধুৰী, নায়ক বাপধন ৰাজবংশী আৰু কণিষ্টবল গজেন মৰাণ।

০০০

৭৬ সংখ্যক গণৰাজ্য দিৱসত নতুন দিল্লীৰ কৰ্তব্য পথত কাইলৈ হ'বলগীয়া কুছকাৱাজ, প্ৰতীকপট শোভাযাত্ৰা আৰু সাংস্কৃতিক কাৰ্যসূচীসমূহ আকাশবাণী আৰু দূৰদৰ্শনে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা হ'বলগীয়া এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কযোগে প্ৰচাৰিত হোৱাৰ লগতে প্ৰচাৰ ভাৰতীৰ অ', টি.টি. প্লেটফৰ্ম **ৱেভ**যোগেও প্ৰচাৰিত হ'ব। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে প্ৰকাশ কৰা অনুসৰি দূৰদৰ্শনে এই অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰৰ বাবে পোনপ্ৰথমবাৰৰ বাবে 4K কেমেৰা আৰু আন আনুসংগিক সৰঞ্জাম ব্যৱহাৰ কৰিব। ইয়াৰ ফলত এই অনুষ্ঠানৰ মান পূৰ্বৰ তুলনাত আঠ গুণ উন্নত হ'ব বুলি শ্ৰীদ্বিবেদীয়ে প্ৰকাশ কৰে।

এইবাৰ নতুন দিল্লীৰ গণৰাজ্য দিৱসৰ কুচকাৱাজত অসমৰ প্ৰতীকপট নাথাকিব যদিও বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম, পৰম্পৰাগত নৃত্য, জাপি, গঁড় আদি প্ৰতীকি ৰূপত লালকিল্লাত প্ৰদৰ্শন কৰা হ'ব।

০০০

ৰাজ্যৰ ১০ গৰাকী উদ্যমীক দিল্লীত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচকাৱাজলৈ বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণ লাভ কৰা উদ্যমীসকলৰ ভিতৰত ধুবুৰীৰ নমিতা এম মাৰাক, কোকৰাঝাৰৰ বিউতি ৰামচিয়াৰী, চিৰাঙৰ মীনা মুছাহাৰী, শোণিতপুৰৰ ইউৰিকা ডব্লিউ ডি ৰাগাম, ধেমাজিৰ অনিল পেগু, গুৱাহাটীৰ গোপাল কৰ্মকাৰ, শিৱসাগৰৰ প্ৰিন্স ফুকন, মৰিগাঁৱৰ প্ৰণৱ সিং, কামৰূপ মহানগৰৰ ত্ৰিবেণী বৰগোহাঁই আৰু নিৰ্মল চৌধুৰী আছে। বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বাবে এই উদ্যমীকেইগৰাকীক গণৰাজ্য দিৱসৰ কুচকাৱাজলৈ আমন্ত্ৰণ জনোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ উদ্যোগত এই উদ্যমীকেইগৰাকী দিল্লীলৈ ৰাওনা হৈছে। এইবেলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰামৰ্শ অনুসৰি বিভিন্ন ক্ষেত্ৰৰ সফল আৰু দক্ষ উদ্যমীক তেওঁলোকৰ পৰিয়ালৰ সদস্যসহ কুচকাৱাজত বিশেষভাৱে সংৰক্ষিত আসনত বহিবলৈ দি সন্মান জনোৱা হ'ব।

০০০

গণৰাজ্য দিৱসৰ কাইলৈ নতুন দিল্লীত হ'বলগীয়া কাৰ্যসূচীৰ বাবে ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকীও ব্যক্তিয়ে আমন্ত্ৰণ লাভ কৰিছে। ধুবুৰী জিলাৰ শালকোছাৰ ভেলুপাৰা দ্বিতীয় খণ্ড গাঁৱৰ নিৰেশ চন্দ্ৰ বৰ্মন আৰু শালকোছাৰ শ্ৰীগ্ৰামৰ আমজামুল আমিন নামৰ দুগৰাকী খেতিয়ক এই দিৱসৰ কাৰ্যসূচীলৈ আমন্ত্ৰিত হৈছে। দুয়োগৰাকী খেতিয়কে সমবায় সমিতিৰ জৰিয়তে ভালেসংখ্যক খেতিয়কক লগত লৈ অঞ্চলটোৰ কৃষিখণ্ডলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ সুবিধা গ্ৰহণ কৰি নিজৰ বাসগৃহত সৌৰ শক্তিৰ দ্বাৰা বিদ্যুৎ উৎপাদনত সফলতা লাভ কৰা বৰপেটাৰ কল্যাণজিৎ দাস নামৰ ব্যক্তিগৰাকীও গণৰাজ্য দিৱসৰ কাৰ্যসূচীলৈ আমন্ত্ৰিত হৈছে। দিল্লীৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণৰ বাবে শিৱসাগৰ জিলাৰ নাজিৰাৰ ৰজাবাৰী গাঁৱৰ জলজীৱন আঁচনিৰ সচিব দীপাংকৰ দিহিঙীয়াই আমন্ত্ৰণ লাভ কৰিছে। দীপাংকৰ দিহিঙীয়াৰ প্ৰচেষ্টাত ৰজাবাৰী অঞ্চলৰ ১৪৫ টা পৰিয়ালে নলযোগে বিশুদ্ধ খোৱাপানী নিজৰ ঘৰৰ পদূলিতে লাভ কৰিবলৈ সমৰ্থ হৈছে। শিৱসাগৰ জিলাৰ মৰাবজাৰৰ হাতীমূৰীয়া ঘৰফলীয়া বিশুদ্ধ খোৱাপানী আঁচনিৰ সভাপতি নবীন কিশোৰ গগৈয়েও দিল্লীৰ গণৰাজ্য দিৱসৰ বাবে আমন্ত্ৰণ লাভ কৰিছে।

০০০

ৰাষ্ট্ৰীয় পৰ্যটন দিৱসৰ সৈতে সংগতি ৰাখি আজি মানস ৰাষ্ট্ৰীয় উদ্যানতো ৰাষ্ট্ৰীয় পৰ্যটন দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ সমীপৰ গোলাগাঁৱত ৰাষ্ট্ৰীয় পৰ্যটন দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুষ্ঠানতে বিটিচিৰ পৰ্যটন বিভাগে গাওঁখনক পৰ্যটন বিভাগৰ আদৰ্শ গাওঁ হিচাপে ঘোষণা কৰে। বিটিআৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাসে আনুষ্ঠানিকভাৱে গোলাগাওঁক আদৰ্শ গাওঁ হিচাপে ঘোষণা কৰে। অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য গৌতম দাস, পাৰিষদ জয় মুছাহাৰীৰ লগতে পৰ্যটন বিভাগৰ কেইবাগৰাকী বিষয়ববীয়াইও অংশগ্ৰহণ কৰে। আজিৰ দিনটোতে মানস ৰাষ্ট্ৰীয়

উদ্যানৰ বাঁহবাৰীত ছদিনীয়া কাৰ্যসূচীৰে মানস মহোৎসৱ আৰম্ভ হয়। ৰাষ্ট্ৰীয় উদ্যানখনলৈ অহা পৰ্যটকসকলক উদ্যানখনৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ লগতে দাঁতিকাষৰীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰ লোককৃষ্টি তথা খাদ্য সম্ভাৰৰ সৈতে চিনাকী কৰি দিবৰ বাবে মানস মহোৎসৱৰ আয়োজন কৰা হৈছে। মানস ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া ৮০ শতাংশ লোকে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰ্যটনৰ সৈতে জড়িত হৈ জীৱিকা নিৰ্বাহ কৰি আহিছে। ৰাষ্ট্ৰীয় উদ্যানখনক অধিক জনমুখী কৰি তোলাৰ প্ৰয়াসেৰে মানস মহোৎসৱৰ আয়োজন কৰা হৈছে বুলি আয়োজকসকলে আমাৰ সংবাদদাতাক জনাইছে।

০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে হাউলীৰ পৰা বৰপেটা, মুকালমুৱা, হাজো হৈ আমিনগাঁৱলৈকে ৭৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণত অনুমোদন জনাইছে। এই পথছোৱা নিৰ্মাণৰ বাবে শীঘ্ৰেই নিবিদা জাৰি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই পথছোৱা উন্নীতকৰণৰ ফলত বৰপেটাৰ পৰা গুৱাহাটী অভিমুখে যাত্ৰা কৰা লোকসকলৰ যাতায়াত সুচল হ'ব। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় বিভাগীয় মন্ত্ৰী নীতিন গাডকাৰীক এই পথছোৱা নিৰ্মাণৰ বিষয়টো দ্ৰুতগতিত নিষ্পত্তি কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত হ'বলগীয়া এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৱে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সহযোগত কেন্দ্ৰটোৰ চৌহদত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীত স্বচ্ছতা অভিযান, গছপুলি ৰোপণৰ লগতে সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়।

০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিৱেশক তথা জ্যেষ্ঠ সাংবাদিক উৎপল কুমাৰ দাসৰ 'এচকল জীৱন বিলাস' নামৰ গ্ৰন্থ এখন আজি গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ সভাকক্ষত উন্মোচন কৰা হয়। কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অগতানুগতিকভাৱে গীত-কথা আৰু অন্তৰংগ আলাপৰ মাজেৰে গ্ৰন্থখন উন্মোচন কৰা হয়। অনুষ্ঠানত বিশিষ্ট লেখিকা লীনা শৰ্মা, বিশিষ্ট কবি, গল্পকাৰ অতনু ভট্টাচাৰ্য, খ্যাতনামা সংগীত শিল্পী মিতালী দে', আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ, আকাশবাণী গুৱাহাটীৰ প্ৰচাৰণ কাৰ্যবাহী, নাট্যকাৰ ঋতুপৰ্ণ দাস, জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়া, মনোৰম গগৈ, হেমন্ত বৰ্মনৰ লগতে আকাশবাণী আৰু আন আন ক্ষেত্ৰৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০

গুৱাহাটী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সহযোগত এইবাৰ যোৰহাটত ১৭ সংখ্যক বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা আয়োজন কৰা হৈছে। যোৰহাট ষ্টেডিয়ামত ২৯ জানুৱাৰীৰ পৰা হ'বলগীয়া প্ৰতিযোগিতাখনত আঠটা দলে অংশগ্ৰহণ কৰিব। অংশগ্ৰহণকাৰী দলসমূহৰ হ'ল- যোৰহাট টাউন ক্লাৱ, বৰপেটা স্পোৰ্টছ ক্লাৱ, ভিক্টৰিয়া ক্লাৱ, নেপথ্য ক্লাৱ, ৰণজিৎ ক্লাৱ, গোহাই টেকেলা ফুটবল ক্লাৱ, ৰমাকান্ত ফুটবল ক্লাৱ আৰু অল ষ্টাৰ ক্লাৱ।

০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত টি টুৱেণ্টি ক্ৰিকেট শৃংখলা আজি দ্বিতীয়খন খেল খন্তেক সময় পাছতে আৰম্ভ হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ৭ বজাত খেলখন আৰম্ভ হ'ব। ৫ খনীয়া টি টুৱেণ্টি শৃংখলাটোৰ প্ৰথমখন খেলত ভাৰতে ৭ উইকেটত জয়লাভ কৰি অগ্ৰগতি লাভ কৰি আছে। টছত জয়লাভ কৰি ভাৰতে ইংলেণ্ডক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছে।

০০০

সমাপ্ত